শিক্ষা নীতি

Qn 1/ লৰ্ড কাৰ্জনৰ সম্পৰ্কে আলোচনা কৰা।

Ans কুৰি শতিকাৰ আৰম্ভণি ভাৰতৰ শিক্ষাৰ ইতিহাসৰ এক তাৎপৰ্যপূৰ্ণ আৰু ঘটনাবহুল সময় হিচাপে অভিহিত কৰিব পাৰি। ১৮৯৯ চনত লৰ্ড কাৰ্জন ইংলেণ্ডৰ ৰাজ প্ৰতিনিধি বা Viceroy হিচাপে নিযুক্ত হৈ ভাৰতবৰ্ষলৈ আহিছিল। তেওঁ ইয়াৰ পূৰ্বে ১৮৮২ চনৰ পৰা ১৮৮৫ চনলৈ এচিয়াৰ ঠাইসমূহ ভ্ৰমণ কৰি ইয়াৰ ভৌগোলিক অৱস্থান, প্ৰশাসন, সমস্যা আদি গুৰুত্বপূৰ্ণ দিশসমূহৰ বিষয়ে জানি উঠিবলৈ সক্ষম হৈছিল। ফলস্বৰূপে যেতিয়া তেওঁ ৰাজ প্ৰতিনিধি হিচাপে ভাৰতবৰ্ষলৈ আহিছিল তেতিয়া তেওঁ প্ৰশাসনীয় দিশত বিভিন্ন সংস্কাৰমূলক ব্যৱস্থা হাতত লৈছিল। তেওঁ প্ৰশাসনৰ প্ৰত্যেকটো দিশতে গুৰুত্ব প্ৰদান কৰিছিল। ১৮৯৯ ৰ পৰা ১৯০৫ চনলৈ তেওঁ সাত বছৰৰ ধৰি প্ৰশাসনীয় ক্ষমতাত আছিল। এই সময়ছোৱাত তেওঁ বিভিন্ন সংস্কাৰমুখী কাৰ্য হাতত লৈছিল।

Qn 2/ চিমলা শিক্ষা সন্মিলনৰ সম্পৰ্কে লিখা।

Ans ভাৰতত শিক্ষাৰ সংস্কাৰ আনিবৰ প্ৰথম পদক্ষেপ হিচাপে লৰ্ড কাৰ্জনে ১৯০১ চনৰ ছেপ্টেম্বৰ মাহত চিমলাত এখন শিক্ষা সন্মিলন আহ্বান কৰে। এই সন্মিলনখন লৰ্ড কাৰ্জনে নিজেই পৰিচালনা কৰিছিল। এই শিক্ষা-সন্মিলনখনক গোপন বুলি ঘোষিত কৰা হৈছিল। এই সন্মিলনখনলৈ [illegible] শিক্ষাবিদৰ

সকলোক খ্ৰীষ্টান মিছনেৰীসকলৰ প্ৰতিনিধিসকলক আৰু বৈজ্ঞানিকসকল নিৰ্বাচিত শিক্ষাবিদ আমন্ত্ৰণ জনোৱা হৈছিল। কিন্তু ভাৰতীয় লোকসকলক ইয়াৰ পৰা আঁতৰাই ৰখা হৈছিল যাৰ বাবে এই সন্মিলনখনক ভাৰতীয় লোকসকলে সন্দেহৰ চকুৰে চাইছিল। এই সন্মিলন ১৫ দিন ধৰি চলে আৰু লৰ্ড কাৰ্জনে ইয়াৰ অধ্যক্ষতা কৰে। এই সন্মিলন-সমূহত সেই সময়ৰ ভাৰতৰ শিক্ষা ব্যৱস্থা, অন্যান্য দিশৰ বিষয়ে আলোচনা কৰা হৈছিল, প্ৰাথমিক পৰ্যায়ৰ পৰা আৰম্ভ কৰি উচ্চ শিক্ষালৈকে শিক্ষাৰ বিভিন্ন পৰ্যায় সমূহ ইয়াত আলোচনা কৰা হৈছিল। এই সন্মিলনত ১৫০ টা প্ৰস্তাৱ গৃহীত হৈছিল। ইয়াৰ ভিত্তিতেই শিক্ষা ব্যৱস্থা সংস্কাৰৰ নীতিসমূহ গ্ৰহণ কৰা হৈছিল। এই সন্মিলনত নিৰ্ধাৰণ কৰা শিক্ষাৰ মূল নীতিসমূহ আছিল —

(i) বৃটিছ চৰকাৰে শিক্ষাৰ সকলো পৰ্যায়ক নিয়ন্ত্ৰণ কৰিব আৰু ভাৰতীয় শিক্ষাক নিৰ্দেশনা প্ৰদান কৰিব।

(ii) সৰ্বসাধাৰণ লোকৰ প্ৰয়োজন মতে শিক্ষানুষ্ঠান স্থাপন কৰা হ'ব আৰু সেইবোৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানবোৰৰ আদৰ্শ স্বৰূপ হৈ উঠিব।

(iii) শিক্ষাৰ বাবে চৰকাৰে অধিক ধন ব্যয় কৰিব।

(iv) কেন্দ্ৰীয় চৰকাৰৰ ভাৰতীয় শিক্ষাৰ ওপৰত সম্পূৰ্ণ নিয়ন্ত্ৰণ থাকিব আৰু শিক্ষা নীতিৰ নিয়ন্ত্ৰণ আৰু নিৰ্দেশনা প্ৰদান কৰিব।

এই সন্মিলনৰ সকলো কাৰ্যসূচী ৰাইজক জ্ঞাত নকৰাইছিল। সেয়ে ভাৰতীয়সকলৰ মনত এই সন্মিলনখনৰ প্ৰতি অসন্তুষ্টি ভাৱৰ সৃষ্টি কৰিছিল।

ইয়াৰ গৃহীত প্ৰস্তাৱসমূহ কেন্দ্ৰ চৰকাৰৰ আৰু অন্যান্য কৰ্তৃপক্ষৰ অভিমতৰ বাবে প্ৰেৰণ কৰা হয়। অৱশেষত ইয়াৰ ওপৰত ভিত্তি কৰি লৰ্ড কাৰ্জনে ১৯০৪ চনৰ ১১ মাৰ্চত চৰকাৰৰ প্ৰস্তাৱ আকাৰে ভাৰতীয় শিক্ষা-নীতি ঘোষণা কৰে।

QN 3/ লৰ্ড কাৰ্জনৰ প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষাৰ শিক্ষানীতিৰ সম্পৰ্কে আলোচনা কৰা।

Ans - লৰ্ড কাৰ্জনৰ প্ৰাথমিক শিক্ষানীতি:

ভাৰতৰ প্ৰাথমিক শিক্ষাৰ অৱস্থাসমূহ আৰু গুণাগুণ দিশৰ দুৰৱস্থাৰ কথা লৰ্ড কাৰ্জনে অনুভৱ কৰিছিল আৰু ইয়াৰ প্ৰধান কাৰণ যে অৰ্থৰ অভাৱ সেই কথাও তেওঁ অতিশীঘ্ৰে অনুভৱ কৰি উঠিছিল। তেওঁ বুজিছিল যে দেশৰ সৰ্বসাধাৰণ লোক নিৰক্ষৰ হৈ থাকিলে চৰকাৰে দেশ ভালদৰে পৰিচালনা কৰিব নোৱাৰে। দেশৰ নিৰক্ষৰতাই বাণিজ্য, কৃষি আৰু অৰ্থনৈতিক দিশতো ক্ষতি সাধন কৰিব পাৰে। তেওঁ এই কথাও উল্লেখ কৰিছিল যে চৰকাৰে উচ্চ শিক্ষাক অধিক গুৰুত্ব দি প্ৰাথমিক শিক্ষাক অৱহেলাৰ দৃষ্টি নিক্ষেপ কৰি আহিছে। সেয়েহে তেওঁ এই পৰ্যায়ৰ শিক্ষাৰ প্ৰতি অধিক গুৰুত্ব প্ৰদান কৰি প্ৰাথমিক শিক্ষাৰ গুণগত বিকাশৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছিল।

প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত লৰ্ড কাৰ্জনৰ কাৰ্যাৱলীসমূহ তলত উল্লেখ কৰা হ'ল—

(i) সাহায্য অনুদান ব্যৱস্থা / উদাৰ নীতিৰ অনুদান ব্যৱস্থা :

ভাৰতৰ প্ৰাথমিক শিক্ষাৰ বিকাশৰ প্ৰতি অন্যতম হেঙাৰ প্ৰধান কাৰণ আছিল পুঁজিৰ অভাৱ। সেয়েহে এই অৰ্থৰ অভাৱ দূৰৰ বাবে এখন সাহায্য অনুদান ব্যৱস্থা / উদাৰ নীতিৰ অনুদান ব্যৱস্থা উডে গ্ৰহণ কৰে। দেশৰ প্লেগ আৰু দুৰ্ভিক্ষৰ সন্মুখীন হোৱাৰ বাবে এককালীন ভাৱে বিশেষ অৰ্থসাহায্য প্ৰাথমিক শিক্ষাৰ বাবে আগবঢ়ায়। মিউনিচিপেলিটি আৰু স্থানীয় বৰ্ডবোৰক উডে পৌনঃপুনিক অৰ্থ সাহায্য প্ৰদানৰ ব্যৱস্থা কৰিছিল। স্থানীয় কৰ্তৃপক্ষবোৰৰ আগৰ তিনি-ভাগৰ এভাগ অৰ্থ সাহায্যৰ পৰিবৰ্তে শিক্ষাৰ খৰচৰ বাবে দুই ভাগৰ এভাগ অৰ্থ সাহায্য দিয়াৰ পৰামৰ্শ প্ৰদান কৰিছিল। এনে অৰ্থ-সাহায্য ব্যৱস্থাই স্কুলৰ সংখ্যা আৰু ইয়াৰ ছাত্ৰসংখ্যা দ্ৰুত ভাৱে বৃদ্ধি কৰি তোলে।

(ii) ফলাফলভিত্তিক অনুদান ব্যৱস্থাৰ পৰিহাৰ:

হাণ্টাৰ আয়োগে ১৮৮২ চনত প্ৰাথমিক শিক্ষাৰ অৰ্থ সাহায্য দানৰ বাবে ফলাফলৰ ভিত্তিত অনুদান নীতি গ্ৰহণৰ পৰামৰ্শ দিয়ে। এই অনুদান প্ৰথা গ্ৰহণৰ ফলত ভাল ফলাফল দেখুৱাব নোৱাৰা নিম্ন মানৰ প্ৰাথমিক বিদ্যালয়সমূহ, বিশেষকৈ ব্যক্তিগত উদ্যোগত পৰিচালিত বিদ্যালয়সমূহৰ অৱস্থা অধিক ক্ষতিগ্ৰস্ত হ'ব পাৰে। সেই বাবে ফলাফল ভিত্তিক অনুদান ব্যৱস্থা পৰিহাৰ কৰিছিল আৰু উদাৰ নীতিৰে অনুদান দানৰ বাবে পৰামৰ্শ আগবঢ়াইছিল।

(iii) শিক্ষকৰ প্ৰশিক্ষণ ব্যৱস্থা ঃ

প্ৰাথমিক শিক্ষাৰ গুণগত বিকাশৰ বাবে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ প্ৰয়োজন। সেয়েহে লৰ্ড কাৰ্জনে প্ৰাথমিক পৰ্যায়ৰ শিক্ষকসকলক প্ৰশিক্ষণ দিয়াৰ বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছিল, শিক্ষকৰ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ ব্যৱস্থা কৰিছিল, তেওঁ নিৰ্দেশনা প্ৰদান কৰিছিল যে শিক্ষকসকলৰ প্ৰশিক্ষণৰ ম্যাদ দুবছৰৰ কম হ'ব নালাগে। লগতে গ্ৰাম্য অঞ্চলৰ শিক্ষকসকলক কৃষি বিষয়ে শিক্ষাৰ প্ৰশিক্ষণ প্ৰদান কৰিব লাগে।

(iv) শিক্ষকসকলৰ দৰমহা বৃদ্ধি ঃ

শিক্ষকসকলৰ জীৱনৰ মানদণ্ড উন্নত কৰি তুলিবৰ বাবে তেওঁ সকলো প্ৰাথমিক স্কুলৰ শিক্ষকৰ দৰমহা পুনৰ বিবেচনা কৰিবলৈ বিচাৰিছিল। তেওঁ লক্ষ্য কৰিছিল যে দেশৰ বিভিন্ন অঞ্চলত প্ৰাথমিক শিক্ষকৰ দৰমহাৰ নিম্নমানৰ আৰু ভিন্ন ভিন্ন আছিল। এনে ব্যৱধান আছিল বংগত মাহিলি ৫ টকা আৰু বোম্বেত ১৮ টকা। সেই বৈষম্য দূৰ কৰি সকলো অঞ্চলৰ শিক্ষকৰ দৰমহা সমমানদণ্ডৰ কৰি তুলিবলৈ বিচাৰিছিল, অৱশ্যে তেওঁ নিজ দায়িত্ব কাল অসময়ৰ কাযে খৰা হেতুকে ইয়াক ভালদৰে কাৰ্য্যকৰী কৰি তুলিব নোৱাৰিলে।

(v) পাঠ্যক্ৰমৰ সংস্কাৰ সাধন ঃ

লৰ্ড কাৰ্জনে প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰম উন্নত কৰি ইয়াৰ সংস্কাৰ সাধন কৰিব বিচাৰিছিল। ইয়াৰ পাঠ্যক্ৰম কেৱল লিখা, পঢ়া আৰু গণনা কাৰ্য্যতেই আবদ্ধ কৰি নাৰাখি, কেতবোৰ উপযোগিতামূলক বিষয় অন্তৰ্ভুক্ত কৰিছিল।

ভাৰত কৃষি প্ৰধান দেশ হোৱা হেতুকে কৃষিৰ দৰে প্ৰয়োজনীয় আৰু ব্যৱহাৰিক বিষয় এটা প্ৰাথমিক স্কুলৰ পাঠ্যক্ৰমতে অন্তৰ্ভুক্ত কৰাৰ তেওঁ নিৰ্দেশ দিছিল। ইয়াৰোপৰি শাৰীৰিক শিক্ষাক পাঠ্যক্ৰমৰ এটা প্ৰয়োজনীয় বিষয় হিচাপে অন্তৰ্ভুক্ত কৰিব বিচাৰিছিল। তেওঁ অনুভৱ কৰিছিল যে প্ৰাথমিক স্কুলৰ পাঠ্যক্ৰম স্থানীয় পৰিৱেশৰ লগত খাপ-খোৱাকৈ তৈয়াৰ হ'ব লাগে। সেইবাবে নগৰ আৰু গাঁও অঞ্চলৰ ছাত্ৰৰ বাবে পাঠ্যক্ৰম পৃথক হোৱাটো তেওঁ বিচাৰিছিল।

(ঘ) শিক্ষাদান পদ্ধতিৰ উন্নতি সাধন ঃ

ভাৰতৰ প্ৰাথমিক স্কুলৰ শিক্ষাদান পদ্ধতি ত্ৰুটিপূৰ্ণ আৰু অবৈজ্ঞানিক বুলি হোৱাটো তেওঁ লক্ষ্য কৰিছিল। প্ৰাথমিক স্কুলৰ পাঠত অকালে মুখস্থ বিদ্যাৰ যোগেদি যান্ত্ৰিক স্মৃতি প্ৰয়োগত অযথা গুৰুত্ব দিয়া কথা তেওঁ ভাল নাপাইছিল। ইয়াৰ পৰিৱৰ্তে ছাত্ৰক নিজ যুক্তি শক্তি আৰু পৰ্যবেক্ষণ ক্ষমতাৰ প্ৰয়োগ কৰাটো তেওঁ বিচাৰিছিল। উন্নত শিক্ষাদান পদ্ধতিৰ বাবে তেওঁ কিণ্ডাৰগাৰ্টেন পদ্ধতিৰ প্ৰাথমিক পৰ্যায়ত প্ৰয়োগ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছিল। যিবোৰ স্কুলত উপযুক্ত শিক্ষক আছে তাত ফ্ৰ'বেলৰ পদ্ধতি প্ৰয়োগ কৰিব লাগে।

* লৰ্ড কাৰ্জনৰ মাধ্যমিক শিক্ষানীতি ঃ

প্ৰাথমিক শিক্ষাৰ অৱস্থাৰ দৰে মাধ্যমিক শিক্ষাৰ অৱস্থাও ভাল নাছিল। মাধ্যমিক বিদ্যালয়সমূহ অপ্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ দ্বাৰা

পৰিচালিত হৈছিল। লৰ্ড কাৰ্জনে মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত পূৰ্বৰ উদাৰ নীতি পৰিহাৰ কৰি কঠোৰ নিয়ন্ত্ৰণৰ নীতি গ্ৰহণ কৰাৰ মতপোষণ কৰিছিল। হাণ্টাৰ আয়োগৰ পৰামৰ্শৰ ফলস্বৰূপে ব্যক্তিগত উদ্যোগীসকলে মাধ্যমিক শিক্ষা পৰিচালনা কৰাৰ ফলত এই স্কুলৰ সংখ্যা লাহে লাহে বৃদ্ধি পাইছিল, যেয়েহে মাধ্যমিক শিক্ষাৰ গুণগত দিশ অক্ষুণ্ণ ৰাখিবলৈ সাহায্যকাৰী অনুদান লাভ কৰা বা নকৰা দুয়ো প্ৰকাৰৰ ব্যক্তিগত উদ্যোগত পৰিচালিত মাধ্যমিক বিদ্যালয়ৰ ক্ষেত্ৰত চৰকাৰী নিয়ন্ত্ৰণ আৰোপ কৰিছিল। ১৯০৪ চনত প্ৰকাশ কৰা চৰকাৰী শিক্ষাৰ প্ৰস্তাৱত এই নীতি ঘোষণা কৰিছিল। লৰ্ড কাৰ্জনে মাধ্যমিক শিক্ষাৰ দিশত গ্ৰহণ কৰা শিক্ষা নীতিক বহল ভাৱে দুটা ভাগত বিভক্ত কৰিব পাৰি।

এই দুটা হৈছে — ক) নিয়ন্ত্ৰণৰ নীতি
খ) অনুদান আৰোপণৰ নীতি

ক) <u>নিয়ন্ত্ৰণৰ নীতি</u> ঃ সকলো বিধ মাধ্যমিক স্কুল চৰকাৰৰ কঠোৰ নিয়ন্ত্ৰণৰ অধীনলৈ আনিব কাৰণে কাৰ্জনে কেইবাটাও নীতি গ্ৰহণ কৰে। এই সমূহ হ'ল —

(i) মাধ্যমিক বিদ্যালয়ৰ সু-পৰিচালনাৰ বাবে বিদ্যালয় পৰিচালনা সমিতিবোৰ উপযুক্তভাৱে সংগঠিত কৰিব লাগে।

(ii) বিদ্যালয়ৰ আৰ্থিক অৱস্থা সুস্থিৰ কৰিব লাগে যাতে ইয়াৰ দ্বাৰা অশিক্ষিত অস্বাস্থ্যক-ৰ [illegible] কৰিব পাৰি।

(iii) মাধ্যমিক বিদ্যালয়সমূহত শিক্ষাৰ্থীৰ স্বাস্থ্য আৰু বিনোদনমূলক কাৰ্য সম্পাদনৰ বাবে সুবিধা প্ৰদান কৰা উচিত।

(iv) মাধ্যমিক বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে

উপযুক্ত আৰু অৰ্হতাসম্পন্ন হোৱা উচিত।

(v) এবাৰ নিৰ্দিষ্ট স্থানত মাধ্যমিক বিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ বিদ্যালয়ৰ প্ৰয়োজনীয়তাসমূহ পৰ্যবেক্ষণ কৰিব লাগিব।

(vi) চৰকাৰৰ অথবা অসমৰ্থ লোকৰ বা লোকসকলৰ ব্যক্তিগত উদ্যোগত পৰিচালিত হোৱা মাধ্যমিক বিদ্যালয় শিক্ষাবিভাগৰ পৰা স্বীকৃতি প্ৰাপ্ত হ'ব লাগিব।

(vii) চৰকাৰৰ শিক্ষা বিভাগৰ পৰা স্বীকৃতি পোৱাৰ উপৰিও বিদ্যালয় বিশ্ববিদ্যালয়ৰ পৰাও স্বীকৃতি প্ৰাপ্ত হ'ব লাগিব। বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত প্ৰৱেশিকা পৰীক্ষাত শিক্ষাৰ্থীক অৱতীৰ্ণ কৰাবলৈও স্বীকৃতিৰ প্ৰয়োজন হ'ল।

(viii) স্বীকৃতি প্ৰাপ্ত বিদ্যালয়সমূহে চৰকাৰৰ পৰা সাহায্যৰ অনুদান লাভ কৰিব আৰু শিক্ষাৰ্থী সকলেও জলপানি পাব।

(ix) অস্বীকৃতিপ্ৰাপ্ত বিদ্যালয়ৰ পৰা যাতে স্বীকৃতিপ্ৰাপ্ত বিদ্যালয়লৈ শিক্ষাৰ্থী স্থানান্তৰিত হ'ব নোৱাৰে তাৰ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

(খ) সম্প্ৰসাৰণ নীতি: লৰ্ড কাৰ্জনে প্ৰকাশ্যত চৰকাৰী নিয়ন্ত্ৰণৰ দ্বাৰা মাধ্যমিক শিক্ষাৰ মানদণ্ড উন্নত কৰিব বিচাৰিছিল। মাধ্যমিক শিক্ষাৰ গুণগত মানদণ্ড অক্ষুন্ন ৰাখিবৰ বাবে লৰ্ড কাৰ্জনৰ ব্যৱস্থাসমূহ হ'ল-

(i) মাধ্যমিক বিদ্যালয়সমূহৰ বিকাশ আৰু কৰিবৰ বাবে চৰকাৰে অধিক অৰ্থ-মঞ্জুৰিৰ অনুমোদন জনোৱা উচিত।

(ii) চৰকাৰী মাধ্যমিক বিদ্যালয়সমূহ ব্যক্তিগত খণ্ডৰ মাধ্যমিক বিদ্যালয়ৰ আদৰ্শ-পৰ্যায়ৰ কৰি তুলিবৰ বাবে অধিক অৰ্থ-সাহায্য প্ৰদান কৰিব

লাগে।

(iv) শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ লগে লগে বৃদ্ধি ঘটাব লাগে আৰু শিক্ষকসকলক প্ৰশিক্ষণ গ্ৰহণ কৰিবলৈ উৎসাহিত কৰিব লাগে।

(v) মাধ্যমিক বিদ্যালয়ৰ পাঠ্যক্ৰমত ব্যৱহাৰিক আৰু বৃত্তিমূলক বিষয়সমূহ অন্তৰ্ভুক্ত কৰি সংশোধন কৰাৰ উচিত।

(vi) শাৰীৰিক শিক্ষাক এক বিষয় হিচাপে পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব লাগে।

(vii) অঞ্চলীয় স্কুলৰ পামাৰিলৈকে মাতৃভাষাই শিক্ষাৰ মাধ্যম হ'ব। কিন্তু ইংৰাজী ভাষাৰো গ্ৰহণ কৰাব হ'ব।

(ix) শিক্ষাৰ মানদণ্ড উন্নত কৰিবৰ বাবে শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত অনুশাসন ব্যৱস্থা উচ্চ স্তৰ কৰি তুলিব লাগে।

(x) মাধ্যমিক বিদ্যালয়ৰ মানদণ্ড উন্নত কৰিবৰ বাবে কৰ্মক্ষম পৰিদৰ্শকৰ দ্বাৰাত গুৰুত্ব প্ৰদৰ্শন কৰিব লাগে। পৰিদৰ্শকৰ কৰ্মদক্ষতা বৃদ্ধি কৰিবলৈ তেওঁলোকৰ দৰমহা বৃদ্ধি কৰাৰ প্ৰয়োজন।

## লৰ্ড কাৰ্জনৰ উচ্চ শিক্ষা - নীতি :

উচ্চ শিক্ষাৰ সংস্কাৰ সাধন কাৰ্যত লৰ্ড কাৰ্জনে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। তেওঁ লক্ষ্য কৰিছিল যে বিশ্ববিদ্যালয় শিক্ষাত কোনো ধৰণৰ পৰিৱৰ্তন সাধন হোৱা নাছিল। কিয়নো তেওঁলোকে লণ্ডন বিশ্ববিদ্যালয়ৰ নীতি নিয়মসমূহ অনুকৰণ কৰা নাছিল। সেই সময়ত উচ্চ শিক্ষাত বিভিন্ন সমস্যা দেখিবলৈ পোৱা গৈছিল বিশেষকৈ প্ৰশাসনীয় ক্ষেত্ৰত বিশ্ববিদ্যালয়সমূহ অতি দুৰ্বল আছিল। বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত কাৰিকৰী শিক্ষা

বৃত্তিমুখী শিক্ষাৰ প্ৰৱৰ্তন কৰা হৈছিল। সেয়েহে লৰ্ড কাৰ্জনে ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ উন্নত কৰিবৰ বাবে বিশেষ কিছুমান কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিছিল।

Q.N 4/ বিশ্ববিদ্যালয় শিক্ষা আয়োগ (১৯০২ চন) ৰ উদ্দেশ্যসমূহ কি কি আৰু পৰামৰ্শসমূহ লিখা

Ans চিমলা সন্মিলনৰ ফলস্বৰূপে লৰ্ড কাৰ্জনে চাৰ টমাচ ৰেলিৰ অধ্যক্ষতাত ১৯০২ চনৰ ২৭ জানুৱাৰীত বিশ্ববিদ্যালয় শিক্ষা আয়োগ গঠন কৰিছিল। বৃটিছ ভাৰতবৰ্ষত প্ৰতিষ্ঠা কৰা বিশ্ববিদ্যালয়সমূহৰ অৱস্থাৰ বিষয়ে অনুসন্ধান কৰা এই আয়োগৰ উদ্দেশ্য আছিল। আয়োগত ভাৰতীয়সকলক সদস্যভুক্ত নকৰাৰ বাবে তেওঁলোকৰ অসন্তুষ্টি হৈছিল। এই অসন্তুষ্টিৰ প্ৰতি লক্ষ্য ৰাখি দুগৰাকী ভাৰতীয় লোকক পাছবৰ্তী পৰ্যায়ত সদস্যভুক্ত কৰা হৈছিল। সদস্যভুক্ত ব্যক্তি দুজন আছিল গুৰুদাস বেনাৰ্জি আৰু চৈয়দ হুচেন বিলগ্ৰামী। এই আয়োগ গঠনৰ প্ৰধান উদ্দেশ্যসমূহ আছিল তলৰ ধৰণৰ —

(i) ইংৰাজ শাসিত ভাৰতত স্থাপন কৰা বিশ্ববিদ্যালয় বোৰৰ অৱস্থা আৰু ইয়াৰ ভৱিষ্যত সম্ভাৱনীয়তা সম্বন্ধে অনুসন্ধান কৰা।

(ii) ভাৰতীয় বিশ্ববিদ্যালয় বোৰৰ সংগঠন আৰু ইয়াৰ কাম কাজ আদি উন্নত কৰি তোলাৰ উপায় নিৰ্ধাৰণ কৰা

(iii) উচ্চ শিক্ষাৰ মানদণ্ড উন্নত কৰি তুলিবৰ বাবে ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ দিয়া।

(iv) উচ্চ শিক্ষাৰ অগ্ৰগতি লাভ কৰা।

বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ পৰামৰ্শসমূহ :

(i) প্ৰত্যেক বিশ্ববিদ্যালয়ৰ অধিকাৰৰ ক্ষেত্ৰ নিৰ্দ্ধাৰণ কৰি দিব লাগে আৰু নতুনকৈ কেবাখন বিশ্ববিদ্যালয় স্থাপন কৰিব লাগিব।

(ii) সংবিধান সংশোধন কেন্দ্ৰৰ পিছত বিশ্ববিদ্যালয়ে বেছিকৈ শিক্ষাদানৰ সুবিধা প্ৰদান কৰিব লাগে।

(iii) চিনেট আৰু চিণ্ডিকেট সভা পুনৰ গঠন কৰিব লাগে। চিনেটৰ সদস্যসংখ্যা কমাব লাগে আৰু সদস্যসকলৰ কাৰ্যকাল ৫ বছৰীয়া হ'ব লাগে। চিণ্ডিকেটৰ সদস্য সংখ্যা ৯ ৰ পৰা ১৫ জনৰ ভিতৰত ৰাখিব লাগে।

(iv) বিশ্ববিদ্যালয়ৰ চিনেট সভাত সংবদ্ধ কলেজৰ শিক্ষক সকল আৰু অন্যান্য উপযুক্ত ব্যক্তিৰ প্ৰতিনিধিত্ব দিব লাগে।

(v) বিশ্ববিদ্যালয়ৰ সংবদ্ধ কলেজবোৰত শিক্ষাৰ উপযুক্ত ব্যৱস্থা কৰিব লাগে আৰু কলেজৰ স্বীকৃতি দানৰ নীতি-নিয়মসমূহ কঠিনতীয়া কৰিব লাগে।

(vi) সংবদ্ধ কলেজসমূহক বিশ্ববিদ্যালয়ৰ পৰা কঠোৰভাৱে পৰ্যবেক্ষণ কৰা হ'ব আৰু এই কলেজবোৰৰ মান যাতে নিম্নগামী হ'ব সেইফালে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

(vii) বিশ্ববিদ্যালয়ে উচ্চ শিক্ষাৰ শিক্ষক-সকলক নিযুক্তি দিব লাগে।

(viii) প্ৰত্যেক কলেজৰ বাবে প্ৰয়োজন পৰিচালনা সমিতি গঠন কৰিব লাগে।

(ix) মেট্ৰিক পৰীক্ষাৰ মানদণ্ড উন্নত পৰ্যায়ৰ কৰিব লাগে। স্নাতক পৰ্যায় তিনি বছৰীয়া কৰিব লাগে আৰু ইণ্টাৰমিডিয়েট পৰ্যায় উঠাই দিব লাগে

(x) বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম আৰু পৰীক্ষা ব্যৱস্থাৰ আৱশ্যকীয় সংশোধন কৰিব লাগে।

(xi) শিক্ষাৰ্থীসকলৰ বাবে আবাস গৃহৰ ব্যৱস্থা কৰিব লাগে আৰু অনুশাসন ব্যৱস্থাৰ প্ৰতি গুৰুত্ব দিব লাগে।

(xii) বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল আৰু প্ৰয়োগশালা আদি উন্নত কৰিব লাগে যাতে ই শিক্ষাৰ্থীসকলক অধিক সুবিধা প্ৰদান কৰিব পাৰে।

(xiii) দ্বিতীয় পৰ্যায়ৰ কলেজসমূহক স্বীকৃতি প্ৰদান কৰিব লাগে। এই কলেজসমূহে নিজকে প্ৰথম পৰ্যায়লৈ উন্নীত কৰিব লাগিব।

(xiv) শিক্ষাৰ্থীসকলৰ যোগ্যতা অনুসৰি বৃত্তি প্ৰদানৰ ব্যৱস্থা কৰিব লাগিব।

(xv) প্ৰাচীন ভাৰতীয় ভাষাসমূহৰ উপৰত গুৰুত্ব প্ৰদান কৰিব আৰু ইংৰাজী শিক্ষাদানৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব।

(xvi) প্ৰচলিত বিশ্ববিদ্যালয় যেনে কলিকতা, বোম্বে, মাদ্ৰাজ, এলাহাবাদ, পাঞ্জাব আদিক পুনৰ সংগঠিত কৰিব লাগে।

(xvii) যিসকল শিক্ষকৰ মাতৃভাষা ইংৰাজী তেওঁলোকক হে ইংৰাজী পঢ়োৱাৰ বাবে নিযুক্তি দিব লাগে।

QN 5| শিক্ষা নীতি সম্বন্ধে ১৯০৪ চনৰ ভাৰত চৰকাৰৰ প্ৰস্তাৱ সমূহকে উল্লেখ কৰা।

Ans সিমলাৰ শিক্ষা সন্মিলনত লোৱা সিদ্ধান্ত অনুসৰি লৰ্ড কাৰ্জনে শিক্ষাৰ বিভিন্ন দিশত গ্ৰহণ কৰিব লগা নীতি-পদ্ধতিসমূহ এটা চৰকাৰী

প্ৰস্তাৱ আকাৰে ১৯০৪ চনৰ ১১ মাৰ্চত প্ৰকাশ কৰে। ইয়াৰ জৰিয়তে ভাৰত চৰকাৰৰ শিক্ষানীতিৰ প্ৰস্তাৱৰ দ্বাৰা ভাৰতীয় শিক্ষা ব্যৱস্থাৰ দোষ-ত্ৰুটিসমূহ আঙুলিয়াই দিয়া হৈছিল। এই অসুবিধা-সমূহ হ'ল —

(i) প্ৰাথমিক শিক্ষাৰ গুণগত মানদণ্ড অতি নিম্ন মানৰ আছিল আৰু ইয়াৰ সংখ্যাগতভাৱে বিকাশো আশানুৰূপ পৰিমাণৰ হোৱা নাছিল।

(ii) প্ৰাথমিক শিক্ষাৰ শিক্ষাদান পদ্ধতি অতি দুৰ্বল আৰু অবৈজ্ঞানিক আছিল যিয়ে শিক্ষাৰ্থীসকলক আকৰ্ষিত কৰিব পৰা নাছিল।

(iii) প্ৰাথমিক শিক্ষাৰ দৰে মাধ্যমিক শিক্ষাৰ মানদণ্ডও অতি নিম্নমানৰ আছিল। যিহেতু অপ্ৰশিক্ষিত শিক্ষক আৰু অযোগ্য শিক্ষকৰ আদৰে শিক্ষাৰ মানদণ্ড নিম্নগামী কৰি তুলিছিল।

(iv) মাধ্যমিক পৰ্যায়ত শিক্ষাই প্ৰসাৰ লাভ কৰিছিল যদিও বিদ্যালয়সমূহ গঢ়ি উঠিৰ ফলত শিক্ষাৰ মান নিম্নগামী হৈছিল।

(v) মাধ্যমিক পৰ্যায়ৰ শিক্ষা পৰীক্ষাকেন্দ্ৰিক আছিল। যিয়ে শিক্ষাৰ্থীসকলক অত্যধিক হেঁচা প্ৰয়োগ কৰিছিল।

(vi) মাধ্যমিক পৰ্যায়ত বিদ্যালয় গৃহৰ অভাৱ, পুথিভঁৰাল, পৰীক্ষাগাৰ, প্ৰয়োগশালাৰ অভাৱ আৰু অন্যান্য শিক্ষাদান সা-সঁজুলি-সমূহৰ অভাৱ পৰিলক্ষিত হৈছিল।

(vii) উচ্চ শিক্ষাৰ লক্ষ্য কেৱল চাকৰি লোৱাটো হোৱাৰ বাবে ইয়াৰ পৰিসৰ অতিকৈ সংকীৰ্ণ হৈ পৰিছিল।

(viii) পাঠ্যক্ৰম সম্পূৰ্ণৰূপে পুথিগত আছিল

আৰু পৰীক্ষাকেন্দ্ৰিক আছিল যিয়ে শিক্ষাৰ্থীৰ বৌদ্ধিক বিকাশক অৱৰুদ্ধ কৰিছিল।

(ix) ইংৰাজী ভাষাৰ ওপৰত প্ৰদান কৰা অত্যধিক প্ৰাধান্যই ভাৰতীয় ভাষাসমূহৰ অধ্যয়নত বাধাৰ সৃষ্টি কৰিছিল।

* শিক্ষা বিকাশৰ প্ৰস্তাৱসমূহ:

বিশ্ববিদ্যালয়ৰ শিক্ষা আয়োগে এই চৰকাৰী প্ৰতিবেদনত তলত কেইটামান প্ৰস্তাৱিত কাৰ্য্য ব্যৱস্থাৰ উল্লেখ কৰা হয়। যাৰ ইয়াৰ ভিত্তিত পৰৱৰ্তী সময়ত কৰে ১৯০২ চনত চৰকাৰে আয়োগ গঠন কৰি দিয়ে। যেনেহে প্ৰাথমিক, মাধ্যমিক আৰু শিক্ষাৰ অন্যান্য ক্ষেত্ৰবোৰ দিশতেই প্ৰস্তাৱিত কাৰ্য্য ব্যৱস্থা সমূহ আবদ্ধ কৰা হয়। তেওঁলোকৰ এই আয়োগে তলত সমূহক উল্লেখ কৰা হৈছে-

(i) প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত চৰকাৰী অৰ্থ আৱণ্টনৰ স্পষ্ট নীতি গ্ৰহণ কৰা হয়।

(ii) প্ৰাথমিক, মাধ্যমিক আৰু কলেজ শিক্ষাক ব্যক্তিগত খণ্ডৰ হাতত অৰ্পণ কৰিব লাগে আৰু চৰকাৰে ইয়াৰ পৰা অৱসৰ লব লাগে।

(iii) সীমিত পৰিসৰৰ চৰকাৰী শিক্ষানুষ্ঠান সমূহক আদৰ্শ হিচাপে গঢ়িব লাগে।

(iv) ফলাফলভিত্তিক অনুদান পদ্ধতি প্ৰতিষ্ঠা কৰিব লাগে আৰু বিশ্ববিদ্যালয় কেন্দ্ৰীক সেইসমূহৰ ভিতৰত পৰীক্ষাৰ আয়োজন কৰিব লাগে।

(v) শিক্ষানুষ্ঠান সমূহক পৰিদৰ্শন কৰালে অঞ্চলসমূহৰ কাৰ্য্যকৰী শিক্ষানুষ্ঠানৰ উন্নতিৰ বাবে

নিৰ্দেশনাৰে যোগান ধৰিব লাগে।

(vi) চৰকাৰে নাৰী শিক্ষাৰ বিকাশৰ বাবে অধিক অৰ্থ ব্যয় কৰিব লাগে আৰু অধিক নাৰী প্ৰশিক্ষণ বিদ্যালয় স্থাপন কৰিব লাগে।

(vii) প্ৰাথমিক বিদ্যালয়ৰ পাঠ্যক্ৰম চহৰ আৰু গ্ৰাম্য অঞ্চলৰ বাবে পৃথক হ'ব লাগে।

(viii) প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষকসকলৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা থাকিব লাগে আৰু শিক্ষকসকলৰ দৰমহাও বৃদ্ধি কৰিব লাগে।

(ix) স্থানীয় কৰ্তৃপক্ষসমূহে শৈক্ষিক অৰ্থপুৰি সকলে প্ৰাথমিক শিক্ষাৰ ধৰেক্ত ব্যৱস্থা কৰিব লাগে।

(x) প্ৰাথমিক পৰ্যায়ৰ শিক্ষাদান পদ্ধতি অধিক সহজ সৰল আৰু ব্যৱহাৰিক কৰি তুলিব লাগে।

(xi) মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ মানদণ্ড উন্নত কৰি তুলিবৰ বাবে বিদ্যালয়সমূহ সময়ে সময়ে পৰিদৰ্শন কৰিব লাগে আৰু সাহায্যকাৰী অনুদান প্ৰদান কৰিব লাগে।

(xii) মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ স্বীকৃতি প্ৰদান আৰু সাহায্যকাৰী অনুদানৰ নীতি কঠোৰ হ'ব লাগে।

(xiii) উপযুক্ত শিক্ষকৰ অভাৱ, উপযুক্ত ছাত্ৰাবাস আৰু পৰীক্ষাগাৰৰ অভাৱ আৰু শিক্ষাৰ্থীৰ সংখ্যা আৰু স্কুল সন্তোষজনক নহ'লে শিক্ষাৰ্থীয়ে বিশ্ববিদ্যালয়ত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব।

(xiv) শিক্ষাৰ্থীসকলৰ প্ৰয়োজন পূৰণ কৰিব পৰাকৈ মাধ্যমিক পৰ্যায়ত বহুমুখী পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰিব লাগে যিয়ে কাৰিকৰী দিশৰ প্ৰয়োজন পূৰণ কৰিব পাৰিব।